# চতুৰ্থ অধ্যায়

# পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ ব্যৱসায় প্ৰতিষ্ঠানৰ তত্ত্ব

আগৰ অধ্যায়টোত আমি ব্যৱসায় প্ৰতিষ্ঠানৰ উৎপাদন ফলন আৰু ব্যয় ৰেখা সম্পৰ্কীয় ধাৰণাসমূহ আলোচনা কৰিলো। এই অধ্যায়টোত এটা বেলেগ দিশৰ ওপৰত আলোকপাত কৰা হ'ব। আমি প্ৰশ্ন কৰিব পাৰো এটা ব্যৱসায় প্ৰতিষ্ঠানে কিমান উৎপাদন কৰিব, সেই বিষয়ে কিদৰে সিদ্ধান্ত ল'ব? এই প্ৰশ্নটোৰ উত্তৰ ইমান সহজ আৰু অবিতৰ্কিত নহয়। ইয়াৰ উত্তৰ দিবলৈ আমি ব্যৱসায় প্ৰতিষ্ঠানৰ আচৰণ সম্পৰ্কে সমালোচনাত্মক আৰু হয়তো কিছু পৰিমাণে অযৌক্তিক এক অভিধাৰণা ল'ব লগা হয়— আমি ধৰি লওঁ যে, ব্যৱসায় প্ৰতিষ্ঠান এটাৰ উদ্দেশ্যই হৈছে যিকোনো উপায়ে লাভ অৰ্জন। সেয়েহে, ব্যৱসায় প্ৰতিষ্ঠানটোৱে সেই পৰিমাণহে উৎপাদন কৰে আৰু বজাৰত বিক্ৰী কৰে, যিয়ে প্ৰতিষ্ঠানটোৰ লাভ সৰ্বোচ্চ কৰে।

এই অধ্যায়টোৰ গাঁথনিটো এনে ধৰণৰ— প্ৰথমে আমি ব্যৱসায় প্ৰতিষ্ঠান এটাৰ লাভ সৰ্বোচ্চকৰণৰ সমস্যাটো উপস্থাপন কৰি পুংখানুপুংখভাৱে পৰীক্ষা কৰিম। ইয়াৰ পিছতে আমি ব্যৱসাায় প্ৰতিষ্ঠানৰ যোগান ৰেখা উলিয়াম। বিভিন্ন বজাৰ দামত ব্যৱসায় প্ৰতিষ্ঠান এটাই কিমান পৰিমাণ উৎপাদন কৰিবলৈ সিদ্ধান্ত লয়, তাকে যোগান ৰেখাই দেখুৱায়। সৰ্বশেষত, আমি বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠানৰ যোগান ৰেখাসমূহ কেনেকৈ একত্ৰিত কৰিব পাৰি আৰু বজাৰ যোগান ৰেখা উলিয়াব পাৰি, তাকে অধ্যয়ন কৰিম।

## 4.1 পূৰ্ণ প্ৰতিযোগিতা ঃ সংজ্ঞাসূচক বৈশিষ্ট্যসমূহ

ব্যৱসায় প্ৰতিষ্ঠান এটাৰ লাভ সৰ্বোচ্চকৰণৰ সমস্যাটো বিশ্লেষণ কৰিবলৈ আমি প্ৰথমতে ব্যৱসায় প্ৰতিষ্ঠানটোৱে কাৰ্যনিৰ্বাহ কৰা বজাৰ পৰিবেশ (Market environment) টো নিৰ্দিষ্ট কৰি ল'ব লাগিব। এই অধ্যায়ত আমি এবিধ বজাৰ পৰিবেশৰ বিষয়ে অধ্যয়ন কৰিম, যাক পূৰ্ণ প্ৰতিযোগিতা বুলি কোৱা হয়। এখন পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ দুটা সংজ্ঞাসূচক বৈশিষ্ট্য থাকে।

1. বহুতো ক্ৰেতা আৰু বিক্ৰেতা (ব্যৱসায় প্ৰতিষ্ঠান)ই বজাৰখন গঠিত কৰে। বজাৰখনৰ সকলো ব্যৱসায় প্ৰতিষ্ঠানে কোনো এবিধ সমগুণসম্পন্ন (অপৃথকীকৃত) সামগ্ৰী উৎপাদন কৰে।

2. বজাৰখনৰ প্ৰত্যেকগৰাকী ক্ৰেতা আৰু বিক্ৰেতাই হৈছে একো একোজন দাম গ্ৰহণ কৰোতা (Price taker)।

যিহেতু পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ প্ৰথম বৈশিষ্ট্যটো বুজিবলৈ সহজ, আমি দ্বিতীয় বৈশিষ্ট্যটোৰ ওপৰত আলোকপাত কৰিম। ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দৃষ্টিভংগীৰ পৰা, দাম গ্ৰহণ কৰা কথাটোৱে কি সামৰি লয়? দাম গ্ৰহণ কৰোতা ব্যৱসায় প্ৰতিষ্ঠান এটাই বিশ্বাস কৰে যে যদিহে ই বজাৰ দামতকৈ অধিক দাম নিৰ্ধাৰণ কৰে, তেন্তে ই উৎপাদন কৰা সামগ্ৰীৰ কোনো পৰিমাণ বিক্ৰী কৰিবলৈ সক্ষম নহ'ব। আনহাতে, নিৰ্ধাৰিত দামটো যদিহে বজাৰ দামতকৈ কম বা সমান হয়, তেন্তে ব্যৱসায় প্ৰতিষ্ঠানটোৱে সামগ্ৰীটোৰ যিমান একক বিক্ৰী কৰিবলৈ বিচাৰে, কৰিব পাৰিব। আকৌ গ্ৰাহকৰ দৃষ্টিভংগীৰ পৰানো দাম গ্ৰহণ কৰা কথাটোৱে কি সামৰে? দেখদেখকৈ গ্ৰাহক এজনে যিমান সম্ভৱ সিমান কম দামত সামগ্ৰীটো কিনিব বিচাৰিব। অৱশ্যে, এগৰাকী দাম গ্ৰহণ কৰোতা ক্ৰেতাই বিশ্বাস কৰে যে যদিহে তেওঁ বজাৰ দামতকৈ কম দাম দিব বিচাৰে, কোনো ব্যৱসায় প্ৰতিষ্ঠানে তেওঁৰ তাত বিক্ৰী কৰিব নিবিচাৰিব। আনহাতে, যদিহে তেওঁ বজাৰ দামৰ সমান বা তাতকৈ অধিক দাম দিব বিচাৰে, তেন্তে সামগ্ৰীটোৰ যিমান একক ইচ্ছা, সিমান একক কিনিব পাৰিব।

যিহেতু এই অধ্যায়টোত ব্যৱসায় প্ৰতিষ্ঠানৰ বিষয়েহে আলোচনা কৰা হ'ব, আমি ক্ৰেতাৰ আচৰণ সম্পৰ্কে আৰু অনুসন্ধান নকৰো। তাৰ সলনি, আমি এনেকুৱা চৰ্তাৱলী বাছি উলিয়াম, যাৰ অধীনত দাম গ্ৰহণ কৰাটো ব্যৱসায় প্ৰতিষ্ঠানৰ বাবে এক যুক্তিসংগত অভিধাৰণা হ'ব। যেতিয়া বজাৰ এখনত বহুতো ব্যৱসায় প্ৰতিষ্ঠান থাকে আৰু বজাৰত চলিত দাম সম্পৰ্কে ক্ৰেতাৰ সম্পূৰ্ণ জ্ঞান থাকে, তেতিয়া দাম গ্ৰহণ কৰাটো এক যুক্তিসংগত অভিধাৰণা বুলি ভবা হয়। কি ভাবেনো? আহা আমি এনেকুৱা এটা পৰিস্থিতিৰে আৰম্ভ কৰো য'ত বজাৰখনৰ প্ৰত্যেকটো ব্যৱসায় প্ৰতিষ্ঠানে একে (বজাৰ) দামতে সামগ্ৰীটোৰ কিছু পৰিমাণ বিক্ৰী কৰে। ধৰি লোৱা, কোনো এটা ব্যৱসায় প্ৰতিষ্ঠানে ইয়াৰ দাম বজাৰ দামতকৈ বঢ়াই দিলে। যিহেতু সকলো ব্যৱসায় প্ৰতিষ্ঠানে একে সামগ্ৰী উৎপাদন কৰে আৰু সকলো ক্ৰেতা বজাৰ দাম সম্পৰ্কে জ্ঞাত, সেয়েহে উল্লিখিত ব্যৱসায় প্ৰতিষ্ঠানটোৱে ইয়াৰ সকলো ক্ৰেতা হেৰুৱাব। তদুপৰি, এই সকলো ক্ৰেতাই অইন ব্যৱসায় প্ৰতিষ্ঠানলৈ ঢাপলি মেলিব আৰু ইয়াৰ বাবে কোনো সমস্যাৰ সৃষ্টি নহয়। যিহেতু বজাৰখনত বহুতো বিক্ৰেতা আছে, এই ক্ৰেতাবিলাকৰ চাহিদা তৎক্ষণাৎ পূৰাব পৰা যাব। এতিয়া, মন কৰা যে গাইগুটীয়া ব্যৱসায় প্ৰতিষ্ঠান এটাই বজাৰ দামতকৈ অধিক দামত যিমান মন কৰে সিমান বিক্ৰী কৰিব নোৱাৰাটোৱেই দাম গ্ৰহণৰ অভিধাৰণাই বুজোৱা প্ৰধান কথা।

## 4.2. বিক্ৰী আয় (Revenue)

আমি উল্লেখ কৰিছোৱেই যে পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখনত ব্যৱসায় প্ৰতিষ্ঠান এটাই বিশ্বাস কৰে যে বজাৰ দামৰ সমান বা তাতকৈ কম দাম নিৰ্ধাৰণ কৰি ই সামগ্ৰীটোৰ যিমান একক ইচ্ছা কৰে, সিমান বিক্ৰী কৰিব পাৰিব। কিন্তু এই ক্ষেত্ৰত বজাৰ দামতকৈ কম দাম নিৰ্ধাৰণ কৰাৰ কোনো কাৰণ নাথাকিব। অৰ্থাৎ, ব্যৱসায় প্ৰতিষ্ঠানটোৱে যদিহে সামগ্ৰীটোৰ কিছু পৰিমাণ বিক্ৰী কৰিবলৈ বিচাৰে, তেন্তে ই বজাৰ দামৰ সমান দামেই নিৰ্ধাৰণ কৰিব লাগিব।

উৎপাদিত সামগ্ৰী বজাৰত বিক্ৰী কৰি ব্যৱসায় প্ৰতিষ্ঠান এটাই বিক্ৰী আয় উপাৰ্জন কৰে। ধৰা হ'ল, সামগ্ৰীটোৰ এক এককৰ বজাৰ দাম p। q হৈছে ব্যৱসায় প্ৰতিষ্ঠানটোৱে উৎপাদন কৰা আৰু p দামত বিক্ৰী কৰা সামগ্ৰীৰ পৰিমাণ। সামগ্ৰীটোৰ বজাৰ দাম (p) ক ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপাদনৰ পৰিমাণ (q)ৰে পূৰণ কৰিলে মুঠ বিক্ৰী আয় (TR)পোৱা যায়। সেয়েহে,


$TR = p \times q$

ধাৰণাটো অধিক বুজিবলৈ আমি তলত দিয়া সাংখ্যিক উদাহৰণটো ল'ব পাৰো। ধৰা হ'ল, মমবাতিৰ বজাৰ পূৰ্ণ প্ৰতিযোগিতামূলক আৰু এবাকচ মমবাতিৰ বজাৰ মূল্য 10 টকা। মমবাতি উৎপাদনকাৰী এজনৰ বাবে, তালিকা 4.1 এ মুঠ বিক্ৰী আয় দেখুৱাইছে। মন কৰিবা যে যেতিয়া একো উৎপাদন কৰা নহয়, TR শূন্যৰ সমান হয়; যেতিয়া এবাকচ উৎপাদন কৰা হয়, TR = 1×Rs. 10 = Rs. 10 হয়; দুটা বাকচ উৎপাদন কৰিলে TR = 2×Rs. 20 হয়। এনেদৰে উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ লগে লগে TR বৃদ্ধি হৈ গৈ থাকে।

**তালিকা 4.1 ঃ মুঠ বিক্ৰী আয় (TR)**

| বিক্ৰী কৰা বাকচৰ সংখ্যা | TR (Rs. ত) |
|---|---|
| 0 | 0 |
| 1 | 10 |
| 2 | 20 |
| 3 | 30 |
| 4 | 40 |
| 5 | 50 |


পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ এখনত ব্যৱসায় প্ৰতিষ্ঠান এটাই বজাৰ দাম p দিয়া আছে বুলি ধৰি লয়। বজাৰ দাম p স্থিৰ হৈ থকা অৱস্থাত, ব্যৱসায় প্ৰতিষ্ঠান এখনৰ মুঠ বিক্ৰী আয় ৰেখাই ইয়াৰ মুঠ বিক্ৰী আয় (y অক্ষ) আৰু ইয়াৰ উৎপন্ন (x অক্ষ)-ৰ মাজৰ সম্পৰ্ক দেখুৱায়। চিত্ৰ 4.1এ ব্যৱসায় প্ৰতিষ্ঠান এটাৰ মুঠ বিক্ৰী আয় ৰেখা দেখুৱাইছে। ইয়াতে আমি তিনিটা কথা লক্ষ্য কৰিব পাৰো। প্ৰথমে, যেতিয়া উৎপাদন শূন্য হয়, ব্যৱসায় প্ৰতিষ্ঠানটোৰ মুঠ বিক্ৰী আয়ো শূন্য হয়। সেয়েহে, TR ৰোখাই 'O' বিন্দুৰ মাজেৰে গতি কৰে। দ্বিতীয়, উৎপাদন বৃদ্ধিৰ লগে লগে মুঠ বিক্ৰী আয় বৃদ্ধি পায়। তাৰোপৰি, TR = p×q সমীকৰণটো এডাল সৰল ৰেখাৰ সমীকৰণ। ইয়ে সূচায় যে TR ৰেখাডাল এডাল ঊৰ্ধগামী সৰল ৰেখা। তৃতীয়, সৰল ৰেখাডালৰ প্ৰৱণতালৈ মন কৰা। যেতিয়া উৎপাদন এক একক (চিত্ৰ 4.1ত আনুভূমিক দৈৰ্ঘ্য $Oq_1$), মুঠ বিক্ৰী আয় (চিত্ৰ 4.1 ত উলম্ব উচ্চতা $Aq_1$) হয় p×1=p। গতিকে, সৰল ৰেখাডালৰ প্ৰৱণতা $\frac{Aq_1}{Oq_1} = p$ ।



*চিত্ৰ ঃ 4.1*

**মুঠ বিক্ৰী আয় ৰেখা ঃ** ব্যৱসায় প্ৰতিষ্ঠান এটাৰ মুঠ বিক্ৰী আয় ৰেখাই ব্যৱসায় প্ৰতিষ্ঠানটোৱে উপাৰ্জন কৰা মুঠ বিক্ৰী আয় আৰু ইয়াৰ উৎপাদনৰ পৰিমাণৰ মাজৰ সম্পৰ্ক দেখুৱায়। ৰেখাডালৰ প্ৰৱণতা $Aq_1/Oq_1$ হৈছে বজাৰ দাম।

এতিয়া চিত্ৰ 4.2 লৈ মন কৰা। ইয়াত আমি ব্যৱসায় প্ৰতিষ্ঠানৰ উৎপন্ন (x অক্ষ)-ৰ বিভিন্ন মানৰ বাবে বজাৰ দাম (y অক্ষ)-ৰ মান সংস্থাপন কৰিছো। যিহেতু বজাৰ দাম 'p'ত স্থিৰ কৰা হৈছে, সেয়েহে আমি এডাল আনুভূমিক সৰল ৰেখা পাইছো, যিডালে y-অক্ষক p-ৰ সমান উচ্চতাত কাটিছে। এই আনুভূমিক সৰল ৰেখাডালকে দাম ৰেখা (Price Line) বুলি কোৱা হয়। এই দাম ৰেখাই ব্যৱসায় প্ৰতিষ্ঠানটোৰ চাহিদা ৰেখাকো বুজায়। লক্ষ্য কৰা, চিত্ৰ



*চিত্ৰ ঃ 4.2*

**দাম ৰেখা ঃ** দাম ৰেখাই বজাৰ দাম আৰু ব্যৱসায় প্ৰতিষ্ঠানখনৰ উৎপাদনৰ পৰিমাণৰ মাজৰ সম্পৰ্ক দেখুৱায়। দাম ৰেখাডালৰ উলম্ব উচ্চতা বজাৰ দাম p-ৰ সমান।

4.2-এ দেখুৱাইছে যে বজাৰ দাম p, ব্যৱসায় প্ৰতিষ্ঠান এটাৰ উৎপন্নৰ ওপৰত নিৰ্ভৰশীল নহয়। ইয়ে বুজায় যে ব্যৱসায় প্ৰতিষ্ঠান এটাই p দামত যিমান ইচ্ছা কৰে সিমান একক বিক্ৰী কৰিব পাৰে।

উৎপন্নৰ প্ৰতিটো এককৰ পৰা পোৱা মুঠ আয়কে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ গড় বিক্ৰী আয় (AR) বোলা হয়। মনত পেলোৱা, যদিহে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ উৎপন্ন q আৰু বজাৰ দাম p হয়, তেন্তে TR, p×q ৰ সমান হয়। গতিকে,

$$AR = \frac{TR}{q} = \frac{p \times q}{q} = p$$

আন কথাত ক'বলৈ গ'লে, দাম গ্ৰহণ কৰা ব্যৱসায় প্ৰতিষ্ঠান এটাৰ উৎপন্নৰ এক একক বৃদ্ধি কৰিলে মুঠ আয়ৰ যি বৃদ্ধি হয়, তাকে ব্যৱসায় প্ৰতিষ্ঠানটোৰ প্ৰান্তিক বিক্ৰী আয় (MR) বোলে। ধৰা হ'ল, কোনো এটা পৰিস্থিতিত, ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপন্ন $q^0$ ৰ পৰা $(q^0+1)$ লৈ বৃদ্ধি হ'ল। বজাৰ দাম p হ'লে

MR = {($q^0$ + 1) উৎপন্নৰ পৰা পোৱা TR} – ($q^0$ উৎপন্নৰ পৰা পোৱা TR)

$= \{p \times (q^0 + 1)\} - (pq^0)$

$= p$

অৰ্থাৎ, দাম গ্ৰহণ কৰোতা ব্যৱসায় প্ৰতিষ্ঠান এটাৰ বাবে প্ৰান্তিক আয় বজাৰ দামৰ সমান হয়।

গাণিতিক কথাখিনি আঁতৰাই থ'লে, এই ফলাফলটোৰ ভাবাৰ্থ তেনেই সহজ। যেতিয়া ব্যৱসায় প্ৰতিষ্ঠান এটাই ইয়াৰ উৎপন্ন এক একক বৃদ্ধি কৰে, এই অতিৰিক্ত এককটো বজাৰ দামত বিক্ৰী কৰা হয়। সেয়েহে, এক একক উৎপন্ন বৃদ্ধিৰ পৰা হোৱা ব্যৱসায় প্ৰতিষ্ঠানখনৰ মুঠ আয়ৰ বৃদ্ধি অৰ্থাৎ MR, বজাৰ দামৰ সমান।

## 4.3 লাভ সৰ্বোচ্চকৰণ (Profit Maximisation) ঃ

ব্যৱসায় প্ৰতিষ্ঠান এটাই এক নিৰ্দিষ্ট পৰিমাণৰ সামগ্ৰী উৎপাদন কৰে আৰু বিক্ৰী কৰে। ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ, যাক গ্ৰীক আখৰ $\pi$-ৰে সূচোৱা হয়, প্ৰতিষ্ঠানটোৰ মুঠ বিক্ৰী আয় (TR) আৰু মুঠ উৎপাদনী ব্যয় (TC)[1] ৰ পাৰ্থক্য। অৰ্থাৎ,

$$\pi = TR - TC$$

খৰচ বা ব্যয় বাদ দিলে, ব্যৱসায় প্ৰতিষ্ঠানটোৰ যিখিনি উপাৰ্জন হয়, সেয়াই TR আৰু TC-ৰ মাজৰ পাৰ্থক্য।

ব্যৱসায় প্ৰতিষ্ঠান এটাই ইয়াৰ লাভ সৰ্বোচ্চ কৰিববলৈ বিচাৰে। এতিয়া দৰকাৰী প্ৰশ্নটো হ'ল ঃ কিমান পৰিমাণৰ উৎপন্নত ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ সৰ্বোচ্চ হ'ব? ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপন্ন সম্পূৰ্ণ বিভাজ্য

1. লাভ, যাক গ্ৰীক আখৰ $\pi$ৰে সূচোৱাটো অৰ্থনীতিত প্ৰচলিত এক পৰম্পৰা।

বুলি ধৰি লৈ, আমি যেতিয়া দেখুৱাম যে যদিহে এটা যোগাত্মক উৎপন্নৰ পৰিমাণ $q_0$ থাকে, য'ত লাভ সৰ্বোচ্চ হয়, তেন্তে তিনিটা চৰ্ত পূৰণ হ'ব লাগিব ঃ

1. $q_0$ পৰিমাণত, বজাৰ দাম p প্ৰান্তিক ব্যয়ৰ সমান হ'ব লাগিব।

2. $q_0$ পৰিমাণত প্ৰান্তিক ব্যয় ক্ৰমহ্ৰাসমান নহয়।

3. $q_0$ পৰিমাণত, হ্ৰস্বকালত বজাৰ দাম p গড় পৰিৱৰ্তনশীল ব্যয়ৰ সমান বা ইয়াতকৈ বেছি হ'ব লাগিব। আনহাতে, দীৰ্ঘকালত $q_0$ ত বজাৰ দাম pগড় ব্যয়ৰ সমান বা ইয়াতকৈ বেছি হ'ব লাগিব।

### 4.3.1 চৰ্ত 1 ঃ

চৰ্ত 1টো বিবেচনা কৰা। আমি দেখুৱাম যে এই চৰ্তটো সত্য, কাৰণ লাভ সৰ্বোচ্চকৰণ কৰা ব্যৱসায় প্ৰতিষ্ঠান এটাই সেই পৰিমাণ উৎপাদন নকৰিব, য'ত বজাৰ দাম প্ৰান্তিক ব্যয়তকৈ বেছি হ'ব বা প্ৰান্তিক ব্যয় বজাৰ দামতকৈ বেছি হ'ব। আমি দুয়োটা পৰিঘটনা পৰীক্ষা কৰিম।

**পৰিঘটনা 1 ঃ প্ৰান্তিক ব্যয়তকৈ দাম অধিক হ'ব নোৱাৰে।**

চিত্ৰ 4.3 লৈ চোৱা আৰু মন কৰা যে উৎপন্নৰ পৰিমাণ $q_2$ ত বজাৰ দাম p প্ৰান্তিক ব্যয়তকৈ বেছি হৈছে। আমি দাবী কৰিব পাৰো যে $q_2$ লাভ সৰ্বোচ্চকাৰী পৰিমাণ হ'ব নোৱাৰে। কিয়?

লক্ষ্য কৰা যে, $q_2$-ৰ সামান্য সোঁপিনে থকা সকলো পৰিমাণৰ বাবে বজাৰ দাম প্ৰান্তিক ব্যয়তকৈ বেছি হৈ আছে। গতিকে, আমি আন এটা পৰিমাণ $q_3$ ল'লো, যিটো $q_2$ ৰ সামান্য সোঁপিনে আছে। $q_2$ আৰু $q_3$-ৰ মাজত থকা উৎপন্নৰ সকলো পৰিমাণৰ বাবে বজাৰ দাম প্ৰান্তিক ব্যয়তকৈ বেছি।

ধৰা হ'ল, এতিয়া ব্যৱসায় প্ৰতিষ্ঠানটোৱে ইয়াৰ উৎপন্নৰ স্তৰ $q_2$ ৰ পৰা $q_3$ লৈ বৃদ্ধি কৰিছে। এই উৎপন্ন সম্প্ৰসাৰণৰ পৰা হোৱা ব্যৱসায় প্ৰতিষ্ঠানটোৰ মুঠ বিক্ৰী আয় বৃদ্ধিৰ পৰিমাণ হৈছে বজাৰ দাম আৰু অতিৰিক্ত উৎপন্নৰ পূৰণফলৰ সমান; চিত্ৰত আয়তক্ষেত্ৰ $q_2q_3CB$-ৰ কালিৰ সমান। আনহাতে, এই উৎপন্ন সম্প্ৰসাৰণৰ পৰা হোৱা মুঠ ব্যয় বৃদ্ধিৰ পৰিমাণ হৈছে $q_2$ আৰু $q_3$ -ৰ মাজৰ প্ৰান্তিক ব্যয় ৰেখাৰ তলৰ অংশছোৱাৰ কালি; অৰ্থাৎ $q_2q_3$ XW-ৰ কালি। কিন্তু এই দুয়োটা কালি ($q_2q_3CB$ আৰু $q_2q_3XW$) তুলনা কৰিলে আমি দেখা পাওঁ যে উৎপন্নৰ পৰিমাণ $q_2$ তকৈ $q_3$ ত ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভৰ পৰিমাণ অধিক। তেনেক্ষেত্ৰত, $q_2$ কেতিয়াও লাভ সৰ্বোচ্চকাৰী উৎপন্নৰ পৰিমাণ হ'ব নোৱাৰে।

**পৰিঘটনা 2 ঃ প্ৰান্তিক ব্যয়তকৈ দাম কম হ'ব নোৱাৰে।**

চিত্ৰ 4.3 লৈ চোৱা আৰু মন কৰা যে উৎপন্ন পৰিমাণ $q_5$ ত বজাৰ দাম p প্ৰান্তিক ব্যয়তকৈ কম। আমি দাবী কৰিব পাৰো যে $q_5$ লাভ সৰ্বোচ্চকাৰী উৎপন্ন হ'ব নোৱাৰে। কিয়?


লক্ষ্য কৰা যে, $q_5$-ৰ সামান্য বাওঁপিনে থকা সকলো উৎপন্নৰ পৰিমাণৰ বাবে বজাৰ দাম প্ৰান্তিক ব্যয়তকৈ কম। এতিয়া, আমি এনে এটা উৎপন্নৰ পৰিমাণ, $q_4$ ল'ম, যিটো $q_5$ ৰ সামান্য বাওঁপিনে আছে। $q_4$ আৰু $q_5$-ৰ মাজৰ সকলো উৎপন্নৰ পৰিমাণৰ বাবে বজাৰ দাম প্ৰান্তিক ব্যয়তকৈ কম।

ধৰা হ'ল, ব্যৱসায় প্ৰতিষ্ঠানটোৱে ইয়াৰ উৎপন্ন $q_5$ ৰ পৰা $q_4$লৈ হ্ৰাস কৰিলে। এই উৎপন্ন সংকোচনৰ ফলত ব্যৱসায় প্ৰতিষ্ঠানটোৰ মুঠ বিক্ৰী আয়ৰ হ্ৰাস হৈছে বজাৰ দাম আৰু উৎপন্নৰ পৰিৱৰ্তনৰ মাজৰ পূৰণফল, অৰ্থাৎ আয়ত ক্ষেত্ৰ $q_4q_5EF$ -ৰ কালি। আনহাতে, এই উৎপন্ন সংকোচনৰ ফলত মুঠ ব্যয় হ্ৰাসৰ পৰিমাণ হৈছে $q_4$ আৰু $q_5$ ৰ মাজৰ প্ৰান্তিক ব্যয় ৰেখাৰ তলৰ অংশছোৱাৰ কালি, অৰ্থাৎ $q_4q_5ZY$-ৰ কালি। কিন্তু এই দুয়োটা কালি ($q_4q_5EF$ আৰু $q_4q_5ZY$) তুলনা কৰিলে দেখা যায় যে উৎপন্নৰ পৰিমাণ $q_5$তকৈ $q_4$ত ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভৰ পৰিমাণ অধিক। তেনেক্ষেত্ৰত $q_5$ লাভ সৰ্বোচ্চকাৰী উৎপন্ন হ'ব নোৱাৰে।

### 4.3.2 চৰ্ত 2 ঃ

এতিয়া আমি দ্বিতীয় চৰ্তটো আলোচনা কৰিম যিটো লাভ সৰ্বোচ্চকাৰী উৎপন্নৰ পৰিমাণ যোগাত্মক হ'লে প্ৰযোজ্য হ'ব লাগিব। কিহৰ বাবেনো প্ৰান্তিক ব্যয় ৰেখা লাভ সৰ্বোচ্চকাৰী উৎপন্নৰ পৰিমাণত ক্ৰমহ্ৰাসমান হ'ব নোৱাৰে? এই প্ৰশ্নটোৰ উত্তৰ পাবলৈ পুনৰ চিত্ৰ 4.3 লৈ চাওঁ আহা। মন কৰা যে, উৎপন্নৰ পৰিমাণ $q_1$ত বজাৰ দাম প্ৰান্তিক ব্যয়ৰ সমান; কিন্তু প্ৰান্তিক ব্যয় ৰেখা ক্ৰমহ্ৰাসমান। আমি দাবী কৰিব পাৰো যে $q_1$ লাভ সৰ্বোচ্চকাৰী উৎপন্ন হ'ব নোৱাৰে। কিয়?

লক্ষ্য কৰা যে, $q_1$ ৰ সামান্য বাওঁপিনে থকা সকলো উৎপন্নৰ পৰিমাণৰ বাবে বজাৰ দাম প্ৰান্তিক ব্যয়তকৈ কম। কিন্তু




*চিত্ৰ ঃ 4.3*

**লাভ সৰ্বোচ্চকৰণ চৰ্ত 1 আৰু 2 ঃ** চিত্ৰটোৱে দেখুৱাইছে যে যেতিয়া বজাৰ দাম p হয়, এটা লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠানৰ উৎপন্নৰ পৰিমাণ, $q_1$ (প্ৰান্তিক ব্যয় ৰেখা MC ক্ৰমহ্ৰাসমান), $q_2$ (বজাৰ দাম প্ৰান্তিক ব্যয়তকৈ বেছি) অথবা $q_5$ (প্ৰান্তিক ব্যয় বজাৰ দামতকৈ বেছি) হ'ব নোৱাৰে।


3.1-ৰ পৰিঘটনা 2 ৰ যুক্তি প্ৰয়োগ কৰিলে আমি দেখা পাওঁ যে $q_1$ তকৈ সামান্য কম উৎপন্নৰ পৰিমাণত ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ $q_1$ত পোৱা লাভতকৈ বেছি। অৰ্থাৎ, $q_1$ লাভ-সৰ্বোচ্চকাৰী উৎপন্ন নহয়।

### 4.3.3 চৰ্ত 3 ঃ

লাভ সৰ্বোচ্চকাৰী উৎপন্ন যোগাত্মক হ'লে প্ৰযোজ্য হ'বলগীয়া তৃতীয় চৰ্তটো চাওঁ আহা। এই তৃতীয় চৰ্তটোৰ দুটা অংশ আছে ঃ এটা অংশ হ্ৰস্বকালত আৰু আনটো দীৰ্ঘকালত প্ৰযোজ্য।

**পৰিঘটনা 1 ঃ হ্ৰস্বকালত দাম গড় পৰিৱৰ্তনশীল ব্যয় (AVC) তকৈ বেছি বা ইয়াৰ সমান হ'ব লাগিব।**

আমি দেখুৱাম যে ওপৰোক্ত কথাষাৰ সত্য কাৰণ হ্ৰস্বকালত লাভ-সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই এনেকুৱা উৎপন্ন স্তৰ উৎপাদন নকৰে য'ত বজাৰ দাম AVC তকৈ কম হয়।




*চিত্ৰ ঃ 4.4*

**লাভ সৰ্বোচ্চকৰণ সৈতে দাম AVC ৰ সম্পৰ্ক (হ্ৰস্বকালত) ঃ** চিত্ৰটোৱে দেখুৱাইছে যে লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই হ্ৰস্বকালত নিম্নতম গড় পৰিৱৰ্তনশীল বয় (AVC) তকৈ বজাৰ দাম p কম হ'লে শূন্য উৎপন্ন উৎপাদন কৰে, অৰ্থাৎ একো উৎপাদন নকৰে। যদিহে ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপন্ন $q_1$ হয়, ইয়াৰ মুঠ পৰিৱৰ্তনশীল ব্যয় ইয়াৰ বিক্ৰী আয়তকৈ pEBA বেছি হয়।

চিত্ৰ 4.4 লৈ মন কৰা। $q_1$ উৎপন্নৰ পৰিমাণত, বজাৰ দাম p, AVCতকৈ কম। আমি দাবী কৰিব পাৰো যে $q_1$ লাভ সৰ্বোচ্চকাৰী উৎপন্ন হ'ব নোৱাৰে। কিয়?

মন কৰা যে, $q_1$ ত ব্যৱসায় প্ৰতিষ্ঠানটোৰ মুঠ বিক্ৰী আয় (TR) তলত দিয়া ধৰণৰ ঃ

TR = দাম × পৰিমাণ

= উলম্ব উচ্চতা Op × প্ৰস্থ $Oq_1$

= আয়তক্ষেত্ৰ $OpAq_1$-ৰ কালি

একেধৰণে, $q_1$ ত ব্যৱসায় প্ৰতিষ্ঠানটোৰ মুঠ পৰিৱৰ্তনশীল ব্যয় (TVC) এনে ধৰণৰ ঃ


TVC = গড় পৰিৱৰ্তনশীল ব্যয় × পৰিমাণ

= উলম্ব উচ্চতা OE × প্ৰস্থ $Oq_1$

= আয়তক্ষেত্ৰ $OEBq_1$-ৰ কালি

এতিয়া মনত পেলোৱা যে $q_1$ ত ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ TR–(TVC+TFC); অৰ্থাৎ আয়তক্ষেত্ৰত $OPAq_1$ ৰ কালি] – [আয়তক্ষেত্ৰ $OEBq_1$ৰ কালি] – TFC, যদিহে ব্যৱসায় প্ৰতিষ্ঠানটোৱে শূন্য উৎপন্ন উৎপাদন কৰে, তেতিয়া কি হ'ব? যিহেতু উৎপন্ন শূন্য, গতিকে TR আৰু TVCও শূন্য হ'ব। শূন্য উৎপন্নত ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ, (– TFC) ৰ সমান। কিন্তু আয়তক্ষেত্ৰ $OpAq_1$-ৰ কালি আয়তক্ষেত্ৰ $OEBq_1$-ৰ কালিতকৈ কম। অৰ্থাৎ $q_1$ ত ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ একো উৎপাদন নকৰাতকৈও কম। গতিকে, $q_1$ লাভ সৰ্বোচ্চকাৰী উৎপন্ন হ'ব নোৱাৰে।

**পৰিঘটনা 2 ঃ দীৰ্ঘকালত দাম গড় ব্যয়তকৈ বেছি বা ইয়াৰ সমান হ'ব লাগিব**




*চিত্ৰ ঃ 4.5*

**লাভ সৰ্বোচ্চকৰণ সৈতে দাম AVC ৰ সম্পৰ্ক (দীৰ্ঘকালত) ঃ** চিত্ৰটোৱে দেখুৱাইছে যে লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই দীৰ্ঘকালত, নিম্নতম গড় পৰিৱৰ্তনশীল বয় (LRAC) তকৈ বজাৰ দাম, p কম হ'লে শূন্য উৎপন্ন উৎপাদন কৰে। ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপন্ন $q_1$ হ'লে ইয়াৰ মুঠ ব্যয় মুঠ বিক্ৰী আয়তকৈ pEBA বেছি হয়।


আমি দেখুৱাম যে পৰিঘটনা 2ত উল্লেখ কৰা কথাষাৰ সত্য, কাৰণ এটা লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠানে দীৰ্ঘকালত, এনে এটা উৎপন্ন স্তৰ উৎপাদন নকৰে, য'ত বজাৰ দাম গড় ব্যয় (AC)তকৈ কম হয়।

চিত্ৰ 4.5ত $q_1$ উৎপন্ন পৰিমাণত বজাৰ দাম p, দীৰ্ঘকালীন গড় ব্যয়তকৈ কম। আমি দাবী কৰিব পাৰো যে $q_1$ লাভ সৰ্বোচ্চকাৰী উৎপাদন নহয়, কিয়?

মন কৰা যে, $q_1$ত ব্যৱসায় প্ৰতিষ্ঠানটোৰ মুঠ বিক্ৰী আয়, TR হৈছে আয়তক্ষেত্ৰ $OpAq_1$ৰ কালি (দাম আৰু পৰিমাণৰ পূৰণফল)-ৰ সমান আৰু ইয়াৰ মুঠ ব্যয়, TC হৈছে আয়তক্ষেত্ৰ $OEBq_1$-ৰ কালি (গড় ব্যয় আৰু পৰিমাণৰ পূৰণফল)ৰ সমান। যিহেতু, আয়তক্ষেত্ৰ $OEBq_1$-ৰ কালি আয়তক্ষেত্ৰ $OpAq_1$-ৰ কালিতকৈ বেছি, গতিকে ব্যৱসায় প্ৰতিষ্ঠানটোৱে $q_1$ উৎপন্নৰ পৰিমাণত লোকচানৰ সন্মুখীন হয়। কিন্তু, দীৰ্ঘকালত, লাভ শূন্য হ'লেই ব্যৱসায় প্ৰতিষ্ঠান এটাই উৎপাদন কাৰ্য বন্ধ কৰে। গতিকে $q_1$ লাভ সৰ্বোচ্চকাৰী উৎপন্ন হোৱাৰ কথাই নাহে।

### 4.3.4 লাভ সৰ্বোচ্চকৰণ সমস্যা ঃ চিত্ৰৰ সহায়ত উপস্থাপন

3.1, 3.2 আৰু 3.3 অংশৰ তথ্যখিনি ব্যৱহাৰ কৰি হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ লাভ সৰ্বোচ্চকৰণ সমস্যাটো চিত্ৰৰ সহায়ত উপস্থাপন কৰো আহা। চিত্ৰ 4.6 লৈ চোৱা। লক্ষ্য কৰা যে, বজাৰ দাম p। এই বজাৰ দামক হ্ৰস্বকালীন প্ৰান্তিক ব্যয়ৰ লগত সমান কৰি আমি $q_0$ উৎপন্নৰ পৰিমাণ পাওঁ। মন কৰা, $q_0$ ত হ্ৰস্বকালীন প্ৰান্তিক ব্যয় ৰেখা SMC ওপৰলৈ উঠি যায় আৰু p গড় পৰিৱৰ্তনশীল ব্যয়, AVC তকৈ বেছি হয়। যিহেতু অংশ 3.1–3.3 ত আলোচনা কৰা তিনিওটা চৰ্তই $q_0$ ত




*চিত্ৰ ঃ 4.6*

**লাভ সৰ্বোচ্চকৰণৰ জ্যামিতিক উপস্থাপন (হ্ৰস্বকালত) ঃ** বজাৰ দাম, p দিয়া থাকিলে, লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাৰ উৎপন্নৰ পৰিমাণ $q_1$। $q_0$ ত ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ আয়তক্ষেত্ৰত EpAB ৰ কালিৰ সমান।

পূৰণ হৈছে, গতিকে আমি সিদ্ধান্ত কৰিব পাৰো যে ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ সৰ্বোচ্চকাৰী উৎপন্নৰ পৰিমাণ হৈছে $q_0$।

$q_0$ ত কি হয়নো? $q_0$ত ব্যৱসায় প্ৰতিষ্ঠানটোৰ মুঠ বিক্ৰী আয় হৈছে আয়তক্ষেত্ৰ $OpAq_0$-ৰ কালি (দাম আৰু পৰিমাণৰ পূৰণফল)-ৰ সমান আৰু মুঠ ব্যয় হৈছে $OEBq_0$ ৰ কালি (হ্ৰস্বকালীন গড় ব্যয় আৰু পৰিমাণৰ পূৰণফল)-ৰ সমান। গতিকে $q_0$ ত ব্যৱসায় প্ৰতিষ্ঠানটোৱে আয়তক্ষেত্ৰ EpAB-ৰ কালিৰ সমান লাভ অৰ্জন কৰে।

## 4.4 ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখা ঃ


ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখাই বজাৰ দামৰ বিভিন্ন মান (y–অক্ষত বহুওৱা)-ৰ বাবে ব্যৱসায় প্ৰতিষ্ঠানটোৱে উৎপাদন কৰিবলৈ স্থিৰ কৰা বিভিন্ন উৎপন্নৰ পৰিমাণ (x-অক্ষত বহুওৱা) দেখুৱায়। অৱশ্যে, এক নিৰ্দিষ্ট বজাৰ দামৰ বাবে লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাৰ উৎপন্নৰ পৰিমাণ, হ্ৰস্বকাল নে দীৰ্ঘকালৰ কথা বিবেচনা কৰিছো, তাৰ ওপৰত নিৰ্ভৰ কৰে। সেই অনুসৰি, আমি হ্ৰস্বকালীন যোগান ৰেখা আৰু দীৰ্ঘকালীন যোগান ৰেখাৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰো।

### 4.4.1 ব্যৱসায় প্ৰতিষ্ঠান এটাৰ হ্ৰস্বকালীন যোগান ৰেখা ঃ

চিত্ৰ 4.7 লৈ চাওঁ আহা আৰু ব্যৱসায় প্ৰতিষ্ঠান এটাৰ হ্ৰস্বকালীন যোগান ৰেখা উলিয়াওঁ। এই কাৰ্যক আমি দুটা অংশত ভাগ কৰিব পাৰো। প্ৰথমতে, যেতিয়া বজাৰ দাম নিম্নতম AVC তকৈ বেছি বা ইয়াৰ সমান হয়, তেতিয়া ব্যৱসায় প্ৰতিষ্ঠানেটোৰ লাভ সৰ্বোচ্চকাৰী উৎপন্ন উলিয়াম। ইয়াৰ পিছত আমি বজাৰ দাম নিম্নতম AVCতকৈ কম হ'লে ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ সৰ্বোচ্চকাৰী উৎপন্ন উলিয়াম।

### পৰিঘটনা 1 ঃ দাম নিম্নতম AVCতকৈ বেছি বা ইয়াৰ সমান

ধৰা হ'ল বজাৰ দাম $p_1$, যিটো নিম্নতম AVCতকৈ বেছি। হ্ৰস্বকালীন প্ৰান্তিক ব্যয় (SMC) ৰেখাৰ ওপৰলৈ উঠি যোৱা অংশত $p_1$ক SMC-ৰ সমান কৰি আমি উৎপন্নৰ পৰিমাণ $q_1$পাওঁ। মন কৰিবা যে, $q_1$ত AVC বজাৰ দাম $p_1$ তকৈ বেছি নহয়। অৰ্থাৎ, অংশ 3ত আলোকপাত কৰা তিনিওটা চৰ্ত $q_1$ ত পূৰণ হৈছে। গতিকে বজাৰ দাম $p_1$হ'লে হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপন্নৰ পৰিমাণ $q_1$।




*চিত্ৰ ঃ 4.7*


**বজাৰ দামৰ মান ঃ** চিত্ৰটোৱে লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই হ্ৰস্বকালত বজাৰ দামৰ দুটা মান, $p_1$ আৰু $p_2$ ৰ বাবে বেছি লোৱা উৎপন্নৰ পৰিমাণ দেখুৱাইছে। যেতিয়া বজাৰ দাম $p_1$ ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপন্নৰ পৰিমাণ $q_1$, যেতিয়া বজাৰ দাম $p_2$ ব্যৱসায় প্ৰতিষ্ঠানটোৱে শূন্য উৎপন্ন উৎপাদন কৰে।

### পৰিঘটনা 2 ঃ দাম নিম্নতম AVC তকৈ কম

ধৰা হ'ল বজাৰ দাম $p_2$, যিটো নিম্নতম AVC তকৈ কম। আমি যুক্তি আগবঢ়াইছো যে (অংশ 3-ৰ চৰ্ত 3চোৱা) যদি এটা লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠানে হ্ৰস্বকালত এটা যোগাত্মক পৰিমাণৰ উৎপন্ন উৎপাদন কৰে, তেতিয়া বজাৰ দাম $p_2$ সেই উৎপন্নৰ পৰিমাণত AVCতকৈ বেছি বা ইয়াৰ সমান হ'ব লাগিব। কিন্তু, চিত্ৰ

4.7ত লক্ষ্য কৰা যে সকলো যোগাত্মক উৎপন্নৰ পৰিমাণৰ বাবে AVC, $p_2$তকৈ বেছি। অৰ্থাৎ, ব্যৱসায় প্ৰতিষ্ঠানটোৱে এই ক্ষেত্ৰত যোগাত্মক উৎপন্ন যোগান ধৰিব নোৱাৰে। গতিকে বজাৰ দাম $p_2$ হ'লে ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপন্ন শূন্য হ'ব।

পৰিঘটনা 1 আৰু 2ক একেলগ কৰি আমি এটা গুৰুত্বপূৰ্ণ সিদ্ধান্তলৈ আহিব পাৰো। নিম্নতম AVC ৰ পৰা ওপৰলৈ থকা SMC-ৰ উৰ্ধমুখী অংশই হৈছে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ হ্ৰস্বকালীন যোগান ৰেখা। নিম্নতম AVCতকৈ কম সকলো দামৰ বাবে উৎপন্ন শূন্য হ'ব। চিত্ৰ 4.8ত উজ্জ্বল ৰেখাখণ্ডই ব্যৱসায় প্ৰতিষ্ঠানটোৰ হ্ৰস্বকালীন যোগান ৰেখা সূচাইছে।




*চিত্ৰ ঃ 4.8*

**ব্যৱসায় প্ৰতিষ্ঠান এটাৰ হ্ৰস্বকালীন যোগান ৰেখা ঃ** উজ্জ্বল ৰেখাখণ্ডই ব্যৱসায় প্ৰতিষ্ঠান এটাৰ হ্ৰস্বকালীন যোগান ৰেখা সূচাইছে, যিডাল ইয়াৰ হ্ৰস্বকালীন প্ৰান্তিক ব্যয় ৰেখা (SMC) আৰু গড় পৰিৱৰ্তনশীল ব্যয় ৰেখা (AVC)-ৰ ওপৰত নিৰ্ভৰ কৰে।

### 4.4.2 ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দীৰ্ঘকালীন যোগান ৰেখা ঃ

চিত্ৰ 4.9 লৈ চাওঁ আহা আৰু ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দীৰ্ঘকালীন যোগান ৰেখা উলিয়াওঁ। হ্ৰস্বকালৰ দৰে ইয়াতো আমি এই কাৰ্যটো দুটা অংশত ভাগ কৰিম। প্ৰথমতে, আমি বজাৰ দাম নিম্নতম (দীৰ্ঘকালীন) ACতকৈ বেছি বা ইয়াৰ সমান হ'লে ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ সৰ্বোচ্চকাৰী উৎপন্ন উলিয়াম। ইয়াৰ পিছত আমি বজাৰ দাম নিম্নতম (দীৰ্ঘকালীন) ACতকৈ কম হ'লে ব্যৱসায় প্ৰতিষ্ঠানটোৰ লাভ সৰ্বোচ্চকাৰী উৎপন্ন উলিয়াম।





*Fig.4.9*


**বজাৰ দামৰ ভিন্ন মানৰ বাবে দীৰ্ঘকালত লাভ সৰ্বোচ্চকৰণ ঃ** চিত্ৰটোৱে লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই দীৰ্ঘকালত বজাৰ দামৰ দুটা মান, $p_1$ আৰু $p_2$-ৰ বাবে বাছি লোৱা উৎপন্নৰ পৰিমাণ দেখুৱাইছে। যেতিয়া বজাৰ দাম $p_1$, ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপন্নৰ পৰিমাণ $q_1$; যেতিয়া বজাৰ দাম $p_2$, তেতিয়া ব্যৱসায় প্ৰতিষ্ঠানটোৱে শূন্য উৎপন্ন উৎপাদন কৰে।

### পৰিঘটনা 1 ঃ দাম নিম্নতম দীৰ্ঘকালীন গড় ব্যয় (LRAC) তকৈ বেছি বা ইয়াৰ সমান

ধৰা হ'ল, বজাৰ দাম $p_1$, যিটো নিম্নতম LRACতকৈ বেছি। দীৰ্ঘকালীন প্ৰান্তিক ব্যয় (LRMC)ৰেখাৰ ওপৰলৈ উঠি যোৱা অংশত $p_1$ ক LRMC-ৰ সমান কৰি আমি উৎপন্নৰ পৰিমাণ $q_1$ পাওঁ। মন কৰিবা যে, $q_1$ ত LRAC বজাৰ দাম $p_1$ তকৈ বেছি নহয়। অৰ্থাৎ, অংশ 3ত আলোকপাত কৰা তিনিওটা চৰ্ত $q_1$ ত পূৰণ হৈছে। গতিকে, বজাৰ দাম $p_1$ হ'লে, দীৰ্ঘকালত ব্যৱসায় প্ৰতিষ্ঠানটোৰ যোগান, $q_1$ পৰিমাণৰ উৎপন্নৰ সমান হয়।

### পৰিঘটনা 2 ঃ দাম নিম্নতম LRAC তকৈ কম

ধৰা হ'ল, বজাৰ দাম $p_2$ , যিটো নিম্নতম LRACতকৈ কম। আমি যুক্তি আগবঢ়াইছো যে (অংশ 3-ৰ চৰ্ত 3 চোৱা) যদিহে এটা লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠানে দীৰ্ঘকালত যোগাত্মক পৰিমাণৰ উৎপন্ন উৎপাদন কৰে, তেন্তে বজাৰ দাম $p_2$ সেই উৎপন্নৰ পৰিমাণত LRAC তকৈ বেছি বা ইয়াৰ সমান হ'ব লাগিব। কিন্তু চিত্ৰ 4.9 ত লক্ষ্য কৰা যে, সকলো যোগাত্মক উৎপন্নৰ পৰিমাণৰ বাবে LRAC, $p_2$ তকৈ বেছি। অৰ্থাৎ, ব্যৱসায় প্ৰতিষ্ঠানটোৱে এই ক্ষেত্ৰত যোগাত্মক পৰিমাণ যোগান ধৰিব নোৱাৰে। গতিকে, বজাৰ দাম $p_2$ হ'লে ব্যৱসায় প্ৰতিষ্ঠানটোৰ উৎপন্ন শূন্য হ'ব।




*চিত্ৰ ঃ 4.10*

**ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দীৰ্ঘকালীন যোগান ৰেখা**

উজ্জ্বল ৰেখাখণ্ডই ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দীৰ্ঘকালীন যোগান ৰেখা দেখুৱাইছে, যিডাল ইয়াৰ দীৰ্ঘকালীন প্ৰান্তিক ব্যয় ৰেখা (LRMC) আৰু দীৰ্ঘকালীন গড় ব্যয় ৰেখা (LRAC)-ৰ ওপৰত নিৰ্ভৰ কৰে।

পৰিঘটনা 1 আৰু 2ক একেলগ কৰি আমি এটা গুৰুত্বপূৰ্ণ সিদ্ধান্তলৈ আহিব পাৰো। নিম্নতম LRAC-ৰ পৰা ওপৰলৈ অহা LRMC-ৰ উৰ্ধমুখী অংশই হৈছে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দীৰ্ঘকালীন যোগান ৰেখা। নিম্নতম LRACতকৈ কম সকলো দামৰ বাবে উৎপন্ন শূন্য হ'ব। চিত্ৰ 4.10ত, উজ্জ্বল ৰেখাখণ্ডই ব্যৱসায় প্ৰতিষ্ঠানটোৰ দীৰ্ঘকালীন যোগান ৰেখা সূচাইছে।

### 4.4.3 উৎপাদন বন্ধ বিন্দু (The Shut Down Point) ঃ

আগতে যোগান ৰেখা উলিয়াওঁতে, আমি আলোচনা কৰিছো যে হ্রস্বকালত ব্যৱসায় প্ৰতিষ্ঠান এটাই তেতিয়ালৈকে উৎপাদন কাৰ্য চলাই যায়, যেতিয়ালৈকে দাম নিম্নতম AVCতকৈ বেছি বা ইয়াৰ সমান হৈ থাকে। গতিকে, যোগান ৰেখাৰে তললৈ নামি আহিলে আটাইতকৈ শেষৰ যিটো দাম-পৰিমাণ জোঁটত ব্যৱসায় প্ৰতিষ্ঠানটোৱে যোগাত্মক পৰিমাণ উৎপাদন কৰে, সেইটোৱেই হৈছে AVC-ৰ নিম্নতম বিন্দু, য'ত SMC ৰেখাই AVCৰেখাক ছেদ কৰে। ইয়াৰ তলত, কোনো উৎপাদন নহয়। এই বিন্দুটোক ব্যৱসায় প্ৰতিষ্ঠানটোৰ হ্রস্বকালীন **উৎপাদন বন্ধ বিন্দু** বোলা হয়। অৱশ্যে দীৰ্ঘকালত LRAC ৰেখাৰ নিম্নতম বিন্দুটোহে উৎপাদন বন্ধ বিন্দু হয়।

### 4.4.4 স্বাভাৱিক লাভ আৰু সমাৰস্থা বিন্দু (Break-even Point) ঃ

উৎপাদনী প্ৰক্ৰিয়াত ব্যৱসায় প্ৰতিষ্ঠান এটাই বিভিন্ন ধৰণৰ উপাদান ব্যৱহাৰ কৰে। তাৰে কিছুমান পাবলৈ ব্যৱসায় প্ৰতিষ্ঠানটোৱে প্ৰত্যক্ষভাৱে দাম ভৰিবলগীয়া হয়। উদাহৰণ স্বৰূপে, যদিহে ব্যৱসায় প্ৰতিষ্ঠানটোৱে **শ্ৰম** নিয়োগ কৰে, তাৰ বাবে **শ্ৰমিকক** মজুৰি দিব লগা হয়; যদিহে কেঁচা সামগ্ৰী ব্যৱহাৰ কৰে, তাকো কিনিব লগা হয়। অৱশ্যে, উৎপাদনৰ কিছুমান উপাদান ব্যৱসায় প্ৰতিষ্ঠানটোৰ নিজৰে থাকিব পাৰে, যাৰ বাবে কাকো দাম দিব লগা নহয়। এনেকুৱা উপাদানৰ প্ৰকাশ্য ব্যয় নাথাকে যদিও ব্যৱসায় প্ৰতিষ্ঠানটোৰ বাবে সুযোগ ব্যয় (Opportunity Cost) থাকে। ব্যৱসায় প্ৰতিষ্ঠানটোৱে এই উপাদানসমূহ বৰ্তমানৰ উৎপাদন কাৰ্যত ব্যৱহাৰ নকৰি অন্য উদ্দেশ্যতো ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন। আৰু যাৰ বাবে প্ৰতিদান পালেহেঁতেন। এই পৰিহাৰ কৰা প্ৰতিদানখিনিয়ে হৈছে ব্যৱসায় প্ৰতিষ্ঠানটোৰ **সুযোগ ব্যয়**। ব্যৱসায় প্ৰতিষ্ঠানটোৱে সাধাৰণতে এনেকুৱা পৰিমাণৰ লাভ অৰ্জন কৰিবলৈ বিচাৰে, যিটোৱে প্ৰকাশ্য ব্যয়ৰ লগতে সুযোগ ব্যয়ো সামৰি ল'ব পাৰে। লাভৰ যিটো পৰিমাণ, ব্যৱসায় প্ৰতিষ্ঠানটোৱে প্ৰকাশ্য ব্যয় আৰু সুযোগ ব্যয় সামৰি ল'ব পৰাকৈ যথেষ্ট, তাকে **স্বাভাৱিক লাভ** (Normal Profit) বোলে। মুঠ ব্যয়ৰ হিচাপ উলিয়াওঁতে যদিহে ব্যৱসায় প্ৰতিষ্ঠানটোৱে প্ৰকাশ্য ব্যয় আৰু সুযোগ ব্যয় দুয়োটাকে অন্তৰ্ভুক্ত কৰে, তেন্তে স্বাভাৱিক লাভে লাভৰ সেইটো স্তৰকে বুজাব য'ত মুঠ বিক্ৰী আয় মুঠ ব্যয়ৰ সমান হয়। অৰ্থাৎ, স্বাভাৱিক লাভ হৈছে শূন্য লাভ। ব্যৱসায় প্ৰতিষ্ঠান এটাই স্বাভাৱিক লাভতকৈ বেছি যিখিনি লাভ অৰ্জন কৰে তাকে, **অস্বাভাৱিক লাভ** (Super-normal Profit) বোলে। দীৰ্ঘকালত যদিহে ব্যৱসায় প্ৰতিষ্ঠান এটাই স্বাভাৱিক লাভতকৈ সামান্য কমো অৰ্জন কৰে, তেন্তে একো উৎপাদন নকৰে। অৱশ্যে, হ্রস্বকালত স্বাভাৱিক লাভতকৈ কম লাভ অৰ্জন কৰিলেও উৎপাদন কাৰ্য চলিব পাৰে। যোগান ৰেখাৰ যিটো বিন্দুত ব্যৱসায় প্ৰতিষ্ঠান এটাই স্বাভাৱিক লাভ অৰ্জন কৰে, তাকে ব্যৱসায় প্ৰতিষ্ঠানটোৰ **সমাৰস্থা বিন্দু** (Break-even Point) বোলে। অৰ্থাৎ, গড় ব্যয়ৰ নিম্নতম বিন্দু, য'ত যোগান ৰেখাই LRAC ৰেখা (হ্রস্বকালত, SAC ৰেখা)ক কাটে, তাকে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ সমাৰস্থা বিন্দু বোলে।

**সুযোগ ব্যয় (Opportunity Cost)**

অৰ্থনীতিত প্ৰায়েই সুযোগ ব্যয়ৰ ধাৰণাটোৰ সন্মুখীন হোৱা দেখা যায়। যিকোনো এটা কাৰ্যৰ সুযোগ ব্যয় হৈছে দ্বিতীয় সৰ্বোৎকৃষ্ট কাৰ্যটোৰ পৰা পাব পৰা প্ৰতিদান, যিখিনি বাদ দিবলগীয়া হ'ল। ধৰা হ'ল, তোমাৰ Rs. 1000 আছে, যিখিনি তুমি তোমাৰ পৰিয়ালৰ ব্যৱসায়ত বিনিয়োগ কৰিব বিচাৰিছা। তোমাৰ এই কাৰ্যৰ সুযোগ ব্যয় কি? যদিহে বিনিয়োগ নকৰা, তুমি এই টকাখিনি ঘৰতে ৰাখি থ'ব পাৰা, যাৰ পৰা শূন্য প্ৰতিদান পাবা, নতুবা তুমি এইখিনি বেংক-1 বা বেংক-2ত জমা থ'ব পাৰা, যাৰ পৰা ক্ৰমে 10 শতাংশ আৰু 5শতাংশ হাৰত সুদৰ হাৰ পাবা। গতিকে, অন্য বিকল্প কাৰ্যসমূহৰ পৰা পাব পৰা সৰ্বোচ্চ প্ৰতিদান হ'ল বেংক-1ৰ সুদ। কিন্তু, টকাখিনি পৰিয়ালৰ ব্যৱসায়ত বিনিয়োগ কৰিলে, এই সুযোগ হেৰুৱাব লাগিব। অৰ্থাৎ, পৰিয়ালৰ ব্যৱসায়ত টকাখিনি বিনিয়োগ কৰাৰ সুযোগ ব্যয় হৈছে বেংক-1-ৰ পৰা পাব পৰা সুদ, যিখিনি বাদ দিবলগীয়া হ'ল।

## 4.5 ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখাৰ নিৰ্ধাৰকসমূহ ঃ

আগৰ অধ্যায়টোত আমি দেখিলো যে ব্যৱসায় প্ৰতিষ্ঠানৰ যোগান ৰেখা ইয়াৰ প্ৰান্তিক ব্যয় ৰেখাৰ এটা অংশ। গতিকে, ব্যৱসায় প্ৰতিষ্ঠানৰ প্ৰান্তিক ব্যয় ৰেখাক প্ৰভাৱান্বিত কৰা যিকোনো কাৰকে ইয়াৰ যোগান ৰেখাৰ নিৰ্ধাৰক হ'ব। এই অংশত, আমি এনেকুৱা তিনিটা কাৰক আলোচনা কৰিম।

### 4.5.1 প্ৰযুক্তিগত উন্নয়ন (Technological Progress) ঃ


ধৰা হ'ল, ব্যৱসায় প্ৰতিষ্ঠান এটাই নিৰ্দিষ্ট এটা সামগ্ৰী উৎপাদন কৰিবলৈ উৎপাদনৰ দুটা উপাদান ব্যৱহাৰ কৰে আৰু এই দুটা হৈছে মূলধন আৰু শ্ৰম। ব্যৱসায় প্ৰতিষ্ঠানটোৰ সাংগঠনিক উদ্ভাৱন এটাৰ পিছত একে পৰিমাণৰ মূলধন আৰু শ্ৰম প্ৰয়োগ কৰি অধিক উৎপাদন কৰিব পৰা হ'ল। আন কথাত ক'বলৈ গ'লে, নিৰ্দিষ্ট পৰিমাণৰ উৎপন্নৰ বাবে, সাংগঠনিক উদ্ভাৱনৰ ফলত ব্যৱসায় প্ৰতিষ্ঠানটোক আগতকৈ কম উৎপাদনৰ উপাদান লগা হ'ল। ইয়াৰ ফলত, যিকোনো উৎপন্নৰ পৰিমাণত ব্যৱসায় প্ৰতিষ্ঠানটোৰ প্ৰান্তিক ব্যয় কমিব বুলি আশা কৰিব পাৰি, অৰ্থাৎ প্ৰান্তিক ব্যয় (MC) ৰেখা সোঁপিনলৈ (বা তললৈ) নামি আহিব। যিহেতু ব্যৱসায় প্ৰতিষ্ঠানটোৰ যোগান ৰেখা ইয়াৰ MC ৰেখাৰ এটা অংশ, প্ৰযুক্তিগত উন্নয়নে ব্যৱসায় প্ৰতিষ্ঠানৰ যোগান ৰেখাক সোঁপিনলৈ ঠেলি পঠিয়াব। যিকোনো বজাৰ দামত, এতিয়া ব্যৱসায় প্ৰতিষ্ঠানটোৱে অধিক একক উৎপন্ন যোগান ধৰিব।

### 4.5.2 উৎপাদনৰ উপাদানৰ দাম (Input Prices) ঃ

উৎপাদনৰ উপাদানৰ দামৰ পৰিৱৰ্তনেও ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখাৰ ওপৰত প্ৰভাৱ পেলায়। যদি এটা উপাদানৰ দাম (ধৰা হ'ল, শ্ৰমৰ মজুৰিৰ হাৰ) বৃদ্ধি পায়, উৎপাদনী ব্যয়ো বৃদ্ধি পায়। ইয়াৰ ফলত, যিকোনো উৎপন্নৰ পৰিমাণত গড় ব্যয় বৃদ্ধি পোৱাৰ লগে লগে, সাধাৰণতে প্ৰান্তিক ব্যয়ো বৃদ্ধি পায়। MC ৰেখা বাওঁপিনলৈ (বা ওপৰলৈ) উঠি যায়, অৰ্থাৎ ব্যৱসায় প্ৰতিষ্ঠানটোৰ যোগান ৰেখাও বাওঁপিনলৈ যায়। যিকোনো বজাৰ দামত, এতিয়া ব্যৱসায় প্ৰতিষ্ঠানটোৱে আগতকৈ কম একক উৎপন্ন যোগান ধৰিব।

### 4.5.3 একক কৰ (Unit Tax) ঃ

উৎপন্নৰ প্ৰতি একক বিক্ৰীৰ বাবে চৰকাৰে যি কৰ আৰোপ কৰে, তাকে একক কৰ বোলে। উদাহৰণস্বৰূপে ধৰা হ'ল যে চৰকাৰে আৰোপ কৰা এটা কৰ হৈছে Rs. 2। এতিয়া যদিহে ব্যৱসায় প্ৰতিষ্ঠানটোৱে সামগ্ৰীটোৰ 10 একক উৎপাদন কৰে আৰু বিক্ৰী কৰে, তেন্তে ব্যৱসায় প্ৰতিষ্ঠানটোৱে চৰকাৰক প্ৰদান কৰিবলগীয়া মুঠ কৰ হ'ব $10 \times$ Rs. 2 = Rs. 20।





*চিত্ৰ ঃ 4.11*

**ব্যয় ৰেখা আৰু একক কৰ ঃ** $LRAC^0$ আৰু $LRMC^0$ হৈছে ক্ৰমে, একক কৰ আৰোপ কৰাৰ আগত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দীৰ্ঘকালীন গড় ব্যয় ৰেখা আৰু দীৰ্ঘকালীন প্ৰান্তিক ব্যয় ৰেখা। $LRAC^1$ আৰু $LRMC^1$ হৈছে ক্ৰমে Rs. t পৰিমাণৰ একক কৰ আৰোপ কৰাৰ পিছত ব্যৱসায় প্ৰতিষ্ঠানটোৰ দীৰ্ঘকালীন গড় ব্যয় ৰেখা আৰু দীৰ্ঘকালীন প্ৰান্তিক ব্যয় ৰেখা।

এটা একক কৰ আৰোপ কৰাৰ পিছত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দীৰ্ঘকালীন যোগান ৰেখাৰ কিদৰে পৰিৱৰ্তন হয়? চিত্ৰ 4.11 লৈ চাওঁ আহা। একক কৰটো আৰোপ কৰাৰ আগতে ব্যৱসায় প্ৰতিষ্ঠানটোৰ দীৰ্ঘকালীন প্ৰান্তিক ব্যয় ৰেখা আৰু দীৰ্ঘকালীন গড় ব্যয় ৰেখা আছিল ক্ৰমে $LRMC^0$ আৰু $LRAC^0$। এতিয়া ধৰা হ'ল চৰকাৰে Rs. t পৰিমাণৰ একক কৰ আৰোপ কৰিলে। যিহেতু ব্যৱসায় প্ৰতিষ্ঠানটোৱে উৎপাদিত সামগ্ৰীৰ প্ৰতি এককৰ বাবে অতিৰিক্ত Rs. t খৰচ কৰিব লগা হ'ল, যিকোনো উৎপন্নৰ পৰিমাণত ব্যৱসায় প্ৰতিষ্ঠানটোৰ দীৰ্ঘকালীন গড় ব্যয় আৰু দীৰ্ঘকালীন প্ৰান্তিক ব্যয় Rs. t পৰিমাণেৰে বৃদ্ধি পাব। চিত্ৰ 4.11 ত $LRMC^1$ আৰু $LRAC^1$ হৈছে ক্ৰমে একক কৰ আৰোপ কৰাৰ পিছত ব্যৱসায় প্ৰতিষ্ঠানটোৰ দীৰ্ঘকালীন প্ৰান্তিক ব্যয় ৰেখা আৰু দীৰ্ঘকালীন গড় ব্যয় ৰেখা।

মনত পেলোৱা, ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দীৰ্ঘকালীন যোগান ৰেখা হৈছে নিম্নতম LRAC ৰ পৰা ওপৰলৈ থকা LAMC ৰ উৰ্ধমুখী অংশ আৰু নিম্নতম LRAC তকৈ কম সকলো দামৰ বাবে উৎপাদন শূন্য। এই কথাখিনিকে ভিত্তি কৰি আমি চিত্ৰ 4.12 ত পাইছো যে $S^0$ আৰু $S^1$ হৈছে ক্ৰমে একক কৰা আৰোপ কৰাৰ আগৰ আৰু পিছৰ ব্যৱসায় প্ৰতিষ্ঠানটোৰ দীৰ্ঘকালীন যোগান ৰেখা। মন কৰিবা যে একক কৰে ব্যৱসায় প্ৰতিষ্ঠানটোৰ দীৰ্ঘকালীন যোগান ৰেখাক বাওঁপিনলৈ ঠেলি পঠিয়ায়। যিকোনো বজাৰ দামত এতিয়া ব্যৱসায় প্ৰতিষ্ঠানটোৱে আগতকৈ কম উৎপন্ন যোগান ধৰিব।




*চিত্ৰ ঃ 4.12*

**যোগান ৰেখা আৰু একক কৰ ঃ** $S^0$ হৈছে একক কৰ আৰোপ কৰাৰ আগত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখা। Rs. t পৰিমাণৰ একক কৰ আৰোপ কৰাৰ পিছত ব্যৱসায় প্ৰতিষ্ঠানটোৰ যোগান ৰেখা হ'ব $S^1$।

## 4.6. বজাৰ যোগান ৰেখা ঃ

বজাৰ দামৰ বিভিন্ন মান (y অক্ষত বহুওৱা) ত বজাৰখনৰ বিভিন্ন ব্যৱসায়ত প্ৰতিষ্ঠানে মুঠ হিচাপত যিমান উৎপন্ন (x অক্ষত বহুওৱা) উৎপাদন কৰে, তাক বজাৰ যোগান ৰেখাই দেখুৱায়।

বজাৰ যোগান ৰেখা কিদৰে উলিওৱা হয়? এখন বজাৰৰ কথা বিবেচনা কৰা, য'ত n টা ব্যৱসায় প্ৰতিষ্ঠান আছে; ব্যৱসায় প্ৰতিষ্ঠান 1, ব্যৱসায় প্ৰতিষ্ঠান 2, ব্যৱসায় প্ৰতিষ্ঠান 3, .....এনে ধৰণে। ধৰা হ'ল, বজাৰ দাম p ত ধাৰ্য কৰা হৈছে। তেতিয়া n টা ব্যৱসায় প্ৰতিষ্ঠানে উৎপাদন কৰা মুঠ উৎপন্নৰ পৰিমাণ হ'ব [p দামত ব্যৱসায় প্ৰতিষ্ঠান 1 ৰ যোগান] + [p দামত ব্যৱসায় প্ৰতিষ্ঠান 2 ৰ যোগান] +..... + [p দামত ব্যৱসায় প্ৰতিষ্ঠান n ৰ যোগান]। অৰ্থাৎ p দামত বজাৰ যোগান হৈছে সেই দামত গাইগুটীয়া ব্যৱসায় প্ৰতিষ্ঠানবোৰৰ যোগানৰ যোগফল।

এতিয়া আমি বজাৰখনৰ মাত্ৰ দুটা ব্যৱসায় প্ৰতিষ্ঠান, ব্যৱসায় প্ৰতিষ্ঠান 1 আৰু ব্যৱসায় প্ৰতিষ্ঠান 2 আছে বুলি ধৰি লৈ জ্যামিতিকভাৱে বজাৰ যোগান ৰেখা গঠন কৰো আহা। দুয়োটা ব্যৱসায় প্ৰতিষ্ঠানৰে ব্যয়-গাঁথনি বেলেগ বেলেগ। বজাৰ দাম $p_1$ তকৈ কম হ'লে ব্যৱসায় প্ৰতিষ্ঠান 1 এ একো উৎপাদন নকৰে। আনহাতে, বজাৰ দাম $p_2$ তকৈ কম হ'লে ব্যৱসায় প্ৰতিষ্ঠান 2 এ একো উৎপাদন নকৰে। আকৌ ধৰি লোৱা যে $p_2$, $p_1$ তকৈ বেছি।


চিত্ৰ 4.13 ৰ পেনেল (a) ত আমি ব্যৱসায় প্ৰতিষ্ঠান 1 ৰ যোগান ৰেখা $S_1$ পাইছো। পেনেল (b) ত ব্যৱসায় প্ৰতিষ্ঠান-2 ৰ যোগান ৰেখা $S_2$ পাইছো। চিত্ৰ 4.13 ৰ পেনেল (c) য়ে বজাৰ যোগান ৰেখা $S_m$ দেখুৱাইছে। যেতিয়া বজাৰ দাম $p_1$ তকৈ কম হয় দুয়োটা ব্যৱসায় প্ৰতিষ্ঠানে সামগ্ৰীটোৰ কোনো পৰিমাণ উৎপাদন নকৰে। গতিকে এনেকুৱা দামৰ বাবে বজাৰ যোগানো শূন্য হ'ব। $p_1$ ৰ সমান বা ইয়াতকৈ বেছি, কিন্তু $p_2$ তকৈ কম বজাৰ দামৰ বাবে কেৱল ব্যৱসায় প্ৰতিষ্ঠান 1 এহে যোগাত্মক পৰিমাণ উৎপাদন কৰিব। গতিকে এই পৰিসৰত বজাৰ যোগান ৰেখা ব্যৱসায় প্ৰতিষ্ঠান 1 ৰ যোগান ৰেখাৰ সৈতে একে হ'ব। $p_2$ ৰ সমান বা ইয়াতকৈ বেছি বজাৰ দামৰ বাবে দুয়োটা ব্যৱসায় প্ৰতিষ্ঠানে যোগাত্মক পৰিমাণ উৎপাদন কৰিব। উদাহৰণস্বৰূপে বজাৰ দাম $p_3$ ($p_3$ , $p_2$ তকৈ বেছি)ত ব্যৱসায় প্ৰতিষ্ঠান 1 এ উৎপাদনৰ $q_3$ একক যোগান ধৰে আৰু ব্যৱসায় প্ৰতিষ্ঠান 2 এ $q_4$ একক যোগান ধৰে। গতিকে $p_3$ দামত বজাৰ যোগান হ'ব $q_5$ য'ত $q_5 = q_3 + q_4$। মন কৰা, পেনেল (c) ত কিদৰে বজাৰ যোগান ৰেখা Sm গঠন কৰা হৈছে। বজাৰখনৰ দুয়োটা ব্যৱসায় প্ৰতিষ্ঠানৰ যোগান ৰেখা $S_1$ আৰু $S_2$ ৰ আনুভূমিক সমষ্টিৰ পৰা আমি বজাৰ যোগান ৰেখা Sm উলিয়াইছো।

এইটো মনকৰিবলগীয়া যে বজাৰখনৰ এক নিৰ্দিষ্ট সংখ্যক ব্যৱসায় প্ৰতিষ্ঠানৰ বাবে বজাৰ যোগান ৰেখা উলিওৱা হৈছে। ব্যৱসায় প্ৰতিষ্ঠানৰ সংখ্যাৰ পৰিৱৰ্তন হোৱাৰ লগে লগে বজাৰ যোগান ৰেখাৰো স্থানৰ

পৰিৱৰ্তন হয়। বজাৰখনত ব্যৱসায় প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধি (হ্ৰাস) পালে, বজাৰ যোগান ৰেখা সোঁপিনলৈ (বাওঁপিনলৈ) স্থানান্তৰ হয়।

এতিয়া আমি ওপৰত আগবঢ়োৱা ৰৈখিক বিশ্লেষণটোৰ পৰিপূৰক হিচাপে ইয়াৰ লগত মিল থকা সাংখ্যিক উদাহৰণ এটা আগবঢ়াম। এখন বজাৰৰ কথা বিবেচনা কৰা, য'ত দুটা ব্যৱসায় প্ৰতিষ্ঠান আছে; ব্যৱসায় প্ৰতিষ্ঠান 1 আৰু ব্যৱসায় প্ৰতিষ্ঠান 2 । ধৰাহ'ল, ব্যৱসায় প্ৰতিষ্ঠান 1 ৰ যোগান ৰেখা এনে ধৰণৰ ঃ

$$S_1(p) = \begin{cases} 0 : p < 10 \\ p - 10 : p \geq 10 \end{cases}$$




*চিত্ৰ ঃ 4.13*

**বজাৰ যোগান ৰেখা ঃ** পেনেল (a) য়ে ব্যৱসায় প্ৰতিষ্ঠান 1 ৰ যোগান ৰেখা দেখুৱাইছে। পেনেল (b) য়ে ব্যৱসায় প্ৰতিষ্ঠান 2 ৰ যোগান ৰেখা দেখুৱাইছে। পেনেল (c) য়ে বজাৰ যোগান ৰেখা দেখুৱাইছে, যিডাল ব্যৱসায় প্ৰতিষ্ঠান দুটাৰ যোগান ৰেখাৰ আনুভূমিক সমষ্টিৰ পৰা পোৱা যায়।

মনকৰা, S1(p) য়ে দুটা কথা নিৰ্দেশ কৰিছে ঃ

1. যদিহে বজাৰ দাম p, 10 তকৈ কম হয়, ব্যৱসায় প্ৰতিষ্ঠান 1 এ 0 উৎপাদন কৰিব।

2. যদিহে বজাৰ দাম p, 10 ৰ সমান বা 10 তকৈ ডাঙৰ হয়, ব্যৱসায় প্ৰতিষ্ঠান 1 এ (p–10) উৎপাদন কৰিব। এতিয়া ধৰা, ব্যৱসায় প্ৰতিষ্ঠান 2 ৰ যোগান ৰেখা এনেধৰণৰ—

$$S_1(p) = \begin{cases} 0 : p < 15 \\ p - 15 : p \geq 15 \end{cases}$$

$S_2(p)$ ৰ তাৎপৰ্য ব্যাখ্যা $S_1(p)$ ৰ নিচিনা, সেয়েহে সেইখিনি বাদ দিয়া হৈছে। এতিয়া বজাৰ যোগান ৰেখা Sm(p) য়ে ব্যৱসায় প্ৰতিষ্ঠান দুটাৰ যোগান ৰেখাৰ সমষ্টিক দেখুৱায়। অৰ্থাৎ

$Sm(p) = S_1(p) + S_2\ (p)$

কিন্তু, এইটোৱে ইয়াকে বুজায় যে Sm(p) এনেধৰণৰ হ'ব।

$$S_m(p) = \begin{cases} 0 & : p < 1 \\ p - 10 & : p \geq 10 \text{ আৰু } p < 15 \\ (p-10) + (p-15) = 2p - 25 & : p \geq 15 \end{cases}$$

## 4.7. যোগানৰ দাম স্থিতিস্থাপকতা ঃ

সামগ্ৰী এটাৰ যোগানৰ দাম স্থিতিস্থাপকতাই সামগ্ৰীটোৰ দামৰ পৰিৱৰ্তনৰ প্ৰতি ইয়াৰ যোগানৰ সংবেদনশীলতাৰ জোখ লয়। $e_s$ ৰ দ্বাৰা যোগানৰ দাম স্থিতিস্থাপকতা বুজোৱা হয় আৰু ইয়াক এনে ধৰণে সংজ্ঞাবদ্ধ কৰিব পাৰি ঃ

$$\text{যোগানৰ দাম স্থিতিস্থাপকতা } (e_s) = \frac{\text{যোগানৰ পৰিমাণৰ শতাংশ পৰিৱৰ্তন}}{\text{দামৰ শতাংশ পৰিৱৰ্তন}}$$

এটা সামগ্ৰীৰ বজাৰ যোগান ৰেখা $\{S_m(p)\}$ দিয়া থাকিলে, ধৰা হ'ল সামগ্ৰীটোৰ বজাৰ দাম $p^0$ ত ইয়াৰ বজাৰ যোগানৰ পৰিমাণ $q^0$। কোনো কাৰণত সামগ্ৰীটোৰ বজাৰ দাম $p^0$ ৰ পৰা $p^1$ লৈ পৰিৱৰ্তন হ'ল। $q^1$ হৈছে বজাৰ দাম $p^1$ ত সামগ্ৰীটোৰ বজাৰ যোগানৰ পৰিমাণ। মন কৰা যে, যেতিয়া বজাৰ দাম $p^0$ ৰ পৰা $p^1$ লৈ পৰিৱৰ্তন হয়, তেতিয়া দামৰ শতাংশ পৰিৱৰ্তন হয় $100 \times \frac{(p^1 - p^0)}{p^0}$; একেধৰণে, যেতিয়া যোগানৰ পৰিমাণ $q^0$ ৰ পৰা $q^1$ লৈ পৰিৱৰ্তন হয়, তেতিয়া যোগানৰ শতাংশ পৰিৱৰ্তন হয় $100 \times \frac{(q^1 - q^0)}{q^0}$। গতিকে,

$$e_s = \frac{100 \times (q^1 - q^0)/q^0}{100 \times (p^1 - p^0)/p^0}$$

$$= \frac{q^1 / q^0 - 1}{p^1 / p^0 - 1}$$

আৰু বেছি ভালদৰে বুজিবলৈ তলত দিয়া সাংখ্যিকীয় উদাহৰণটোলৈ মন কৰা। ধৰাহ'ল ক্রিকেট বলৰ বজাৰ পূৰ্ণ প্রতিযোগিতামূলক। যেতিয়া এটা ক্রিকেট বলৰ দাম Rs. 10, ধৰি লোৱা যে বজাৰখনৰ আটাইবোৰ ব্যৱসায় প্রতিষ্ঠানে সমষ্টিগতভাৱে 200 ক্রিকেট বল উৎপাদন কৰে। যেতিয়া ক্রিকেট বল এটাৰ দাম Rs. 30 লৈ বৃদ্ধি পালে, ধৰি লোৱা যে বজাৰখনৰ আটাইবোৰ ব্যৱসায় প্রতিষ্ঠানে সমষ্টিগতভাৱে 1000 ক্রিকেট বল উৎপাদন কৰিলে। তেতিয়া,

1. $\frac{q^1}{q^0} - 1 = \frac{1000}{200} - 1 = 4$

2. $\frac{p^1}{p^0} - 1 = \frac{30}{10} - 1 = 2$

3. $e_s = \frac{4}{2} = 2$

যোগান ৰেখা যেতিয়া উলম্ব হয়, তেতিয়া যোগান, দামৰ প্রতি সম্পূৰ্ণ অংসবেদনশীল হয় আৰু যোগানৰ স্থিতিস্থাপকতা শূন্য হয়। অন্য ক্ষেত্রত, যেতিয়া যোগান ৰেখা যোগাত্মকভাৱে হেলনীয়া হয়, দাম বৃদ্ধি পালে যোগান বৃদ্ধি পায় আৰু সেয়েহে যোগানৰ স্থিতিস্থাপকতা যোগাত্মক হয়। চাহিদাৰ দাম স্থিতিস্থাপকতাৰ দৰে যোগানৰ দাম স্থিতিস্থাপকতাও এককৰ ওপৰত নিৰ্ভৰশীল নহয়।


### 4.7.1 জ্যামিতিক পদ্ধতি ঃ

চিত্র 4.14 লৈ চোৱা। পেনেল (a) য়ে এডাল সৰল ৰৈখিক যোগান ৰেখা দেখুৱাইছে। S হৈছে যোগান ৰেখাৰ এটা বিন্দু। যোগান ৰেখাডালে দাম অক্ষক ইয়াৰ যোগাত্মক পৰিসৰৰ ভিতৰত কাটে। সৰল ৰেখাডাল বঢ়াই দিলে ই পৰিমাণ অক্ষক M বিন্দুত কাটে, যি পৰিমাণ অক্ষৰ ঋণাত্মক পৰিসৰৰ ভিতৰত অৱস্থিত। S বিন্দুত এই যোগান ৰেখাডালৰ দাম স্থিতিস্থাপকতা হৈছে $\frac{Mq_0}{Oq_0}$ । এনেকুৱা এডাল যোগান ৰেখাৰ যিকোনো

বিন্দু S ত আমি দেখা পাওঁ যে $Mq_0 > Oq_0$। গতিকে এনেকুৱা এডাল যোগান ৰেখাৰ যিকোনো বিন্দুত, স্থিতিস্থাপকতা 1 তকৈ বেছি হ'ব।

পেনেল (C) তো আমি এডাল সৰল ৰৈখিক যোগান ৰেখা লৈছো আৰু S ইয়াৰ এটা বিন্দু। ৰেখাডালে পৰিমাণ-অক্ষক M বিন্দুত কাটে, যি ইয়াৰ যোগাত্মক পৰিসৰৰ ভিতৰত অৱস্থিত। S বিন্দুত, যোগান ৰেখাডালৰ দাম স্থিতিস্থাপকতা $\frac{Mq_0}{Oq_0}$ অনুপাতৰ দ্বাৰা দিয়া হয়। এতিয়া $Mq_0 < Oq_0$, গতিকে $e_s < 1$। S যোগান ৰেখাডালৰ যিকোনো বিন্দু হ'ব পাৰে। গতিকে এনেকুৱা এডাল যোগান ৰেখাৰ সকলো বিন্দুত $e_s < 1$ ।

এতিয়া আমি পেনেল (b) লৈ আহো। ইয়াত যোগান ৰেখা মূলবিন্দুৰ মাজেৰে গৈছে। ধাৰণা কৰি ল'ব পাৰি যে ইয়াত M বিন্দুৰে মূলবিন্দুৰ লগত সহাৱস্থান কৰিছে, অৰ্থাৎ $Mq_0$, $Oq_0$ ৰ সমান হৈছে। S বিন্দুত এই যোগান ৰেখাৰ দাম স্থিতিস্থাপকতা $\frac{Oq_0}{Oq_0}$ অনুপাতৰ দ্বাৰা দিয়া হয়, যি 1 ৰ সমান। মূলবিন্দুৰ মাজেৰে যোৱা সৰল ৰৈখিক যোগান ৰেখাৰ যিকোনো বিন্দুত দাম স্থিতিস্থাপকতা একৰ সমান।




*চিত্ৰ ঃ 4.14*

**সৰল ৰৈখিক যোগান ৰেখাৰ লগত জড়িত দাম স্থিতিস্থাপকতা ঃ** পেনেল (a) ত S বিন্দুত দাম স্থিতিস্থাপকতা ($e_s$) 1 তকৈ বেছি। পেনেল (b) ত S বিন্দুত দাম স্থিতিস্থাপকতা es1 ৰ সমান। পেনেল (c) ত S বিন্দুত দাম স্থিতিস্থাপকতা ($e_s$)'1' তকৈ কম।

## সাৰাংশ (Summary)

- পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত, ব্যৱসায় প্ৰতিষ্ঠানসমূহ হৈছে দাম গ্ৰহণ কৰোতা।
- ব্যৱসায় প্ৰতিষ্ঠান এটাৰ মুঠ বিক্ৰী আয় হৈছে উৎপাদিত সামগ্ৰীটোৰ বজাৰ দাম আৰু প্ৰতিষ্ঠানটোৰ দ্বাৰা সামগ্ৰীটোৰ উৎপাদিত পৰিমাণৰ পূৰণফল।
- দাম গ্ৰহণ কৰোতা ব্যৱসায় প্ৰতিষ্ঠান এটাৰ বাবে গড় বিক্ৰী আয়, বজাৰ দামৰ সমান।
- দাম গ্ৰহণ কৰোতা ব্যৱসায় প্ৰতিষ্ঠান এটাৰ বাবে প্ৰান্তিক বিক্ৰী আয় বজাৰ দামৰ সমান।
- পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত ব্যৱসায় প্ৰতিষ্ঠান এটাই সন্মুখীন হোৱা চাহিদা ৰেখা সম্পূৰ্ণ স্থিতিস্থাপক হয়; ই বজাৰ দামত, আনুভূমিক সৰল ৰেখা।
- ব্যৱসায় প্ৰতিষ্ঠান এটাৰ লাভ ইয়াৰ মুঠ বিক্ৰী আয় আৰু মুঠ ব্যয়ৰ পাৰ্থক্য।
- যদিহে এনেকুৱা এটা যোগাত্মক উৎপন্ন স্তৰ থাকে, য'ত হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ লাভ সৰ্বোচ্চ হয়, তেন্তে সেই উৎপন্ন স্তৰত তিনিটা চৰ্ত পূৰণ হ'ব লাগিব ঃ

  (i) $p = SMC$

  (ii) SMC ক্ৰমহ্ৰাসমান নহয়

  (iii) $P \geq AVC$
- যদিহে এনেকুৱা এটা যোগাত্মক উৎপন্ন স্তৰ থাকে, য'ত দীৰ্ঘকালত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ লাভ সৰ্বোচ্চ হয়, তেন্তে সেই উৎপন্ন স্তৰত তিনিটা চৰ্ত পূৰণ হ'ব লাগিব ঃ

  (i) $p = LRMC$

  (ii) LRMC ক্ৰমহ্ৰাসমান নহয়

  (iii) $p \geq LRAC$
- ব্যৱসায় প্ৰতিষ্ঠান এটাৰ হ্ৰস্বকালীন যোগান ৰেখা হৈছে নিম্নতম AVC ৰ পৰা ওপৰলৈ থকা SMC ৰেখাৰ উৰ্ধমুখী অংশ আৰু নিম্নতম AVCতকৈ কম সকলো দামৰ বাবে উৎপাদন শূন্য।
- ব্যৱসায় প্ৰতিষ্ঠান এটাৰ দীৰ্ঘকালীন যোগান ৰেখা হৈছে নিম্নতম LRAC ৰ পৰা ওপৰলৈ থকা LRMC ৰ উৰ্ধমুখী অংশ আৰু নিম্নতম LRACতকৈ কম সকলো দামৰ বাবে উৎপাদন শূন্য।
- প্ৰযুক্তিগত উন্নয়নে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখাক সোঁপিনলৈ ঠেলি পঠিয়াব বুলি আশা কৰিব পাৰি।
- উৎপাদনৰ উপাদানৰ দাম বৃদ্ধি (হ্ৰাস) য়ে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগানৰ ৰেখাক বাওঁপিনলৈ (সোঁপিনলৈ) ঠেলি পঠিয়াব বুলি আশা কৰিব পাৰি।

- একক কৰ আৰোপে ব্যৱসায় প্ৰতিষ্ঠানৰ যোগান ৰেখাক বাওঁপিনলৈ ঠেলি পঠিয়ায়।
- গাইগুটীয়া ব্যৱসায় প্ৰতিষ্ঠানসমূহৰ যোগান ৰেখাসমূহৰ আনুভূমিক সমষ্টিৰ পৰা বজাৰ যোগান ৰেখা পোৱা যায়।
- সামগ্ৰী এটাৰ বজাৰ দামৰ এক শতাংশ পৰিৱৰ্তনৰ ফলত সামগ্ৰীটোৰ যোগানৰ যিমান শতাংশ পৰিৱৰ্তন হয় তাকে সামগ্ৰীটোৰ যোগানৰ দাম স্থিতিস্থাপকতা বোলা হয়।

## মূল ধাৰণাসমূহ (Key Concepts)

| | |
|---|---|
| পূৰ্ণ প্ৰতিযোগিতা | বিক্ৰী আয়, লাভ |
| লাভ সৰ্বোচ্চকৰণ | ব্যৱসায় প্ৰতিষ্ঠানৰ যোগান ৰেখা |
| বজাৰ যোগান ৰেখা | যোগানৰ দাম স্থিতিস্থাপকতা |

## অনুশীলনী (Exercises)

1. পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ বৈশিষ্ট্যসমূহ কি কি?
2. ব্যৱসায় প্ৰতিষ্ঠান এটাৰ মুঠ বিক্ৰী আয়, বজাৰ দাম আৰু প্ৰতিষ্ঠানটোৰ মুঠ বিক্ৰীৰ পৰিমাণ, এটা আনটোৰ লগত কিভাৱে জড়িত?
3. 'দাম ৰেখা' কি?
4. কি কাৰণে দাম গ্ৰহণ কৰোতা ব্যৱসায় প্ৰতিষ্ঠান এটাৰ মুঠ বিক্ৰী আয় ৰেখা ওপৰলৈ উঠি যোৱা সৰলৰেখা হয়? কিয় এই ৰেখাডাল মূলবিন্দুৰ মাজেৰে যায়?
5. দাম গ্ৰহণ কৰোতা ব্যৱসায় প্ৰতিষ্ঠান এটাৰ গড় বিক্ৰী আয় আৰু বজাৰ দামৰ মাজৰ সম্পৰ্ক কি?
6. দাম গ্ৰহণ কৰোতা ব্যৱসায় প্ৰতিষ্ঠান এটাৰ প্ৰান্তিক বিক্ৰী আয় আৰু বজাৰ দামৰ মাজৰ সম্পৰ্ক কি?
7. প্ৰতিযোগিতামূলক বজাৰ এখনত লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই যোগাত্মক উৎপন্ন উৎপাদন কৰিবলৈ হ'লে কি কি চৰ্ত পূৰণ হ'ব লাগিব?
8. প্ৰতিযোগিতামূলক বজাৰ এখনত লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই উৎপাদন কৰা এনেকুৱা এটা যোগাত্মক উৎপন্ন স্তৰ থাকিব পাৰেনে য'ত বজাৰ দাম প্ৰান্তিক ব্যয়ৰ সমান নহয়? এটা ব্যাখ্যা আগবঢ়োৱা।

9. প্ৰান্তিক ব্যয়ৰ ক্ৰমহ্ৰাসমান পৰিসৰত প্ৰতিযোগিতামূলক বজাৰৰ লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই যোগাত্মক উৎপন্ন উৎপাদন কৰিবনে? এটা ব্যাখ্যা আগবঢ়োৱা।
10. বজাৰ দাম নিম্নতম AVC তকৈ কম হ'লে হ্ৰস্বকালত প্ৰতিযোগিতামূলক বজাৰৰ লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই যোগাত্মক উৎপন্ন উৎপাদন কৰিবনে? এটা ব্যাখ্যা আগবঢ়োৱা।
11. বজাৰ দাম নিম্নতম AC তকৈ কম হ'লে দীৰ্ঘকালত প্ৰতিযোগিতামূলক বজাৰৰ লাভ সৰ্বোচ্চকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাই যোগাত্মক উৎপন্ন উৎপাদন কৰিবনে? এটা ব্যাখ্যা আগবঢ়োৱা।
12. হ্ৰস্বকালত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখা কি?
13. দীৰ্ঘকালত ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখা কি?
14. প্ৰযুক্তিগত উন্নয়নে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখাক কিদৰে প্ৰভাৱান্বিত কৰে?
15. একক কৰ আৰোপে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখাক কিদৰে প্ৰভাৱান্বিত কৰে?
16. উৎপাদনৰ উপাদান এটাৰ দাম বৃদ্ধিয়ে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগান ৰেখাক কিদৰে প্ৰভাৱান্বিত কৰে?
17. বজাৰ এখনৰ ব্যৱসায় প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধিয়ে বজাৰ যোগান ৰেখাক কিদৰে প্ৰভাৱান্বিত কৰে?
18. যোগানৰ দাম স্থিতিস্থাপকতাই কি বুজায়? ইয়াক আমি কিদৰে জোখো?
19. তলৰ তালিকাখনত মুঠ বিক্ৰী আয় (TR), প্ৰান্তিক বিক্ৰী আয় (MR) আৰু গড় বিক্ৰী আয় (AR) সূচীসমূহ গণনা কৰি উলিওৱা। সামগ্ৰীটোৰ প্ৰতি এককৰ বজাৰ দাম 10।

| **বিক্ৰীৰ পৰিমাণ** | **TR** | **MR** | **AR** |
|---|---|---|---|
| 0 | | | |
| 1 | | | |
| 2 | | | |
| 3 | | | |
| 4 | | | |
| 5 | | | |
| 6 | | | |

20. তলৰ তালিকাখনে প্ৰতিযোগিতামূলক ব্যৱসায় প্ৰতিষ্ঠান এটাৰ মুঠ বিক্ৰী আয় আৰু মুঠ ব্যয় সূচী দেখুৱাইছে। প্ৰত্যেক উৎপন্ন স্তৰৰ বাবে লাভ উলিওৱা। লগতে সামগ্ৰীটোৰ বজাৰ দামো নিৰ্ধাৰণ কৰা।

| বিক্ৰীৰ পৰিমাণ | TR(Rs.) | TC (Rs.) | লাভ |
|---|---|---|---|
| 0 | 0 | 5 | |
| 1 | 5 | 7 | |
| 2 | 10 | 10 | |
| 3 | 15 | 12 | |
| 4 | 20 | 15 | |
| 5 | 25 | 23 | |
| 6 | 30 | 33 | |
| 7 | 35 | 40 | |

21. তলৰ তালিকাখনে প্ৰতিযোগিতামূলক ব্যৱসায় প্ৰতিষ্ঠান এটাৰ মুঠ ব্যয় সূচী দেখুৱাইছে। দিয়া আছে যে সামগ্ৰীটোৰ দাম Rs.10। প্ৰত্যেক উৎপন্ন স্তৰৰ বাবে লাভ নিৰ্ণয় কৰা। লাভ সৰ্বোচ্চকাৰী উৎপন্ন স্তৰ উলিওৱা।

| দাম (Rs.ত) | TC (Rs.ত) |
|---|---|
| 0 | 5 |
| 1 | 15 |
| 2 | 22 |
| 3 | 27 |
| 4 | 31 |
| 5 | 38 |
| 6 | 49 |
| 7 | 63 |
| 8 | 81 |
| 9 | 101 |
| 10 | 123 |

22. দুটা ব্যৱসায় প্ৰতিষ্ঠান থকা বজাৰ এখনৰ কথা বিবেচনা কৰা। তলৰ তালিকাখনে ব্যৱসায় প্ৰতিষ্ঠান দুটাৰ যোগান সূচী দেখুৱাইছে। $SS_1$ স্তম্ভই ব্যৱসায় প্ৰতিষ্ঠান 1 ৰ যোগান সূচী আৰু $SS_2$ স্তম্ভই ব্যৱসায় প্ৰতিষ্ঠান 2 ৰ যোগান সূচী দেখুৱাইছে। বজাৰ যোগান সূচী গণনা কৰি উলিওৱা।

| দাম (Rs.ত) | $SS_1$ (এককত) | $SS_2$ (এককত) |
|---|---|---|
| 0 | 0 | 0 |
| 1 | 0 | 0 |
| 2 | 0 | 0 |
| 3 | 1 | 1 |
| 4 | 2 | 2 |
| 5 | 3 | 3 |
| 6 | 4 | 4 |

23. দুটা ব্যৱসায় প্ৰতিষ্ঠান থকা বজাৰ এখনৰ কথা বিবেচনা কৰা। তলৰ তালিকাখনত $SS_1$ আৰু $SS_2$ স্তম্ভই ক্ৰমে ব্যৱসায় প্ৰতিষ্ঠান 1 আৰু ব্যৱসায় প্ৰতিষ্ঠান 2 ৰ যোগান সূচী আগবঢ়াইছে। বজাৰ যোগান সূচী গণনা কৰি উলিওৱা।

| দাম (Rs.ত) | $SS_1$(Kg.ত) | $SS_2$(Kg.ত) |
|---|---|---|
| 0 | 0 | 0 |
| 1 | 0 | 0 |
| 2 | 0 | 0 |
| 3 | 1 | 0 |
| 4 | 2 | 0.5 |
| 5 | 3 | 1 |
| 6 | 4 | 1.5 |
| 7 | 5 | 2 |
| 8 | 6 | 2.5 |

24. এখন বজাৰত তিনিটা পূৰ্ণ সাদৃশ্যযুক্ত ব্যৱসায় প্ৰতিষ্ঠান আছে। তলৰ তালিকাখনে ব্যৱসায় প্ৰতিষ্ঠান 1 ৰ যোগান সূচী দেখুৱাইছে। বজাৰ যোগান সূচী গণনা কৰি উলিওৱা ঃ

| দাম (Rs.ত) | $SS_1$(এককত) |
|---|---|
| 0 | 0 |
| 1 | 0 |
| 2 | 2 |
| 3 | 4 |
| 4 | 6 |
| 5 | 8 |
| 6 | 10 |
| 7 | 12 |
| 8 | 14 |

25. সামগ্ৰী এটাৰ বজাৰ দাম যেতিয়া Rs. 10, তেতিয়া ব্যৱসায় প্ৰতিষ্ঠান এটাই Rs. 50ৰ বিক্ৰী আয় উপাৰ্জন কৰে। বজাৰ দাম Rs.15 লৈ বৃদ্ধি পোৱাত ব্যৱসায় প্ৰতিষ্ঠানটোৱে Rs. 150 ৰ বিক্ৰী আয় উপাৰ্জন কৰিলে। ব্যৱসায় প্ৰতিষ্ঠানটোৰ যোগান ৰেখাৰ দাম স্থিতিস্থাপকতা কি?
26. সামগ্ৰী এটাৰ বজাৰ দাম Rs.5 ৰ পৰা Rs.20 লৈ পৰিৱৰ্তন হ'ল। ফলস্বৰূপে ব্যৱসায় প্ৰতিষ্ঠান এটাৰ যোগানৰ পৰিমাণ 15 একক বৃদ্ধি পালে। ব্যৱসায় প্ৰতিষ্ঠানটোৰ যোগান ৰেখাৰ দাম স্থিতিস্থাপকতা 0.5। প্ৰতিষ্ঠানটোৰ প্ৰাৰম্ভিক আৰু চূড়ান্ত উৎপন্ন স্তৰ উলিওৱা।
27. বজাৰ দাম Rs.10 ত, ব্যৱসায় প্ৰতিষ্ঠান এটাই উৎপাদনৰ 4 একক যোগান ধৰে। বজাৰ দাম Rs.30 লৈ বৃদ্ধি পালে। ব্যৱসায় প্ৰতিষ্ঠানটোৰ যোগানৰ দাম স্থিতিস্থাপকতা 1.25। নতুন দামত ব্যৱসায় প্ৰতিষ্ঠানটোৱে কিমান পৰিমাণ যোগান ধৰিব?

●●●